ল'ব পাৰিলে ছাত্ৰ-ছাত্ৰীৰ বাবে অধিক ফলপ্ৰসূ হ'ব। গতিকে ভৱিষ্যতৰ শিক্ষা হ'ব লাগিব অফলাইন আৰু অনলাইনৰ সংমিশ্ৰণ। দুয়োটা পদ্ধতি সমানে প্ৰয়োগ কৰাটো আমাৰ শিক্ষা ব্যৱস্থাৰ কাৰণে অতি প্ৰয়োজন। বৰ্তমান অনলাইন শিক্ষাদান হৈছে আমাৰ বৰ্তমানৰ সংকটময় পৰিৱেশত গ্ৰহণ কৰা এটা বিকল্প, কিন্তু ই অকল বিকল্প নহৈ অফলাইন শিক্ষাৰ লগতে প্ৰদান কৰা এটা স্থায়ী ব্যৱস্থা হোৱাটোহে প্ৰয়োজন। দেশৰ সকলো অঞ্চললৈ ইণ্টাৰনেটৰ সেৱা সম্প্ৰসাৰণ কৰাটো হ'ব লাগিব চৰকাৰৰ ডাঙৰ দায়িত্ব। আমি এই কথাটো কেৱল বৰ্তমান লকডাউনৰ বাবে হোৱা ক্ষতিৰ বাবেই ক'ব খোজা নাই, কিন্তু ভৱিষ্যতৰ বাবেও খুব প্ৰয়োজন হ'ব। এটা কথা ঠিক যে বৰ্তমান দেখা দিয়া যি মহামাৰী, সেয়া হয়তো কোনোবা এদিন অন্ত পৰিব, কিন্তু আমি কেতিয়াও নিশ্চিতভাৱে ক'ব নোৱাৰোঁ যে এই মহামাৰী নাইবা অন্য কোনো বেলেগ ধৰণৰ মহামাৰীৰ আৰু প্ৰাদুৰ্ভাৱ নঘটিব। গতিকে আজিৰ কৰ'না মহামাৰীয়ে আমাক এইটো শিক্ষা দিছে যে ভৱিষ্যতৰ বাবে সদায় সাজু হৈ থকাটো হ'ব আমাৰ বাবে অতি প্ৰয়োজন।

ঠিকনা ঃ শিক্ষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী-৭৮১০১৪, ফোন ঃ ৭০০২৩৮৮৬৩২
e-mail : dulumonigu1967@gmail.com

# অনলাইন শিক্ষা ঃ শিক্ষক আৰু অভিভাৱকৰ দায়িত্ব

**ইপ্সিতা কন্দলী শৰ্মা**

বিশ্বব্যাপি হোৱা কৰ'না ভাইৰাছৰ সংক্ৰমণে আমাৰ জীৱনৰ ৰূপেই সলনি কৰি দিলে। সকলো দিশতেই স্তব্ধতা। ছাত্ৰ-ছাত্ৰীৰ জীৱনতো ইয়াৰ প্ৰভাৱ বাৰুকৈয়ে পৰিল। ৰাতিপুৱাতেই উঠি স্কুললৈ সাজু হোৱা, বাছত যোৱাসকলৰ লৰালৰিকৈ বাছলৈ দৌৰা, বিদ্যালয়ত বিৰতিৰ পৰত সমনীয়াৰ সৈতে প্ৰাণখুলি কথা পতাৰ, টিফিন খোৱাৰ ভাগ-বতৰা, বিদ্যালয়ত নিজৰ কৰ্মৰ বাবে শিক্ষকৰ শলাগেৰে উৎসাহিত হোৱা, খেল-ধেমালি কৰা আদি সকলো এতিয়া ছাত্ৰ-ছাত্ৰীৰ বাবে সপোন যেন। ঘৰৰ ভিতৰতে আৱদ্ধ এতিয়া নিজৰ লগতে আনক সুৰক্ষা দিবৰ বাবে। এনে সংকটৰ মুহূৰ্ততে অনলাইন শিক্ষা ছাত্ৰ-ছাত্ৰীৰ বাবে আশাৰ ৰেঙনিস্বৰূপ। আন বহুতৰ দৰেই আমাৰ সন্তানেও অনলাইন শিক্ষাৰেই আৰম্ভ কৰিলে নতুন শ্ৰেণীৰ পাঠ্যক্ৰম। অনলাইনত বিদ্যালয়ৰ দৰে পাঠদান পোৱাৰ আশা কৰা নাযায় যদিও পৰিস্থিতি ভাল নোহোৱালৈকে এই পাঠদানক আন্তৰিকতাৰে আদৰি লোৱাৰ বাহিৰে হয়তো উপায় নাই। এতিয়া শিক্ষকৰ দায়িত্বও যথেষ্ট বাঢ়িল। অনলাইন শিক্ষাক বৰ নিয়াৰিকৈ আগুৱাই লৈ যোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মানসিক দিশকো বিশেষভাৱে গুৰুত্ব দিবলৈ যৎপৰোনাস্তি চেষ্টা কৰি, আমাৰ অভিভাৱকৰো মনৰ শংকা দূৰ কৰিবলৈ সক্ষম হোৱা যোৰহাটৰ চিনামৰাত অৱস্থিত স্প্ৰিংডেল হাইস্কুলৰ কথা এইক্ষেত্ৰত উদাহৰণস্বৰূপে ল'ব খুজিছোঁ। যোৱা ১৬ এপ্ৰিলৰপৰা আৰম্ভ হৈছে বিদ্যালয়খনৰ অনলাইন শিক্ষাদান। বিদ্যালয়খনৰ মুৰব্বী আৰু প্ৰতিষ্ঠাপক ড° ছেহনাজ আহমেদৰ তত্ত্বাৱধানত খুব নিয়াৰিকৈ প্ৰতিগৰাকী শিক্ষকে প্ৰতিটো বিষয়ৰ পাঠদান আগুৱাই লৈ যাবলৈ সক্ষম হৈছে। পাঠদানৰ আৰম্ভণিতে প্ৰাৰ্থনাৰ অডিঅ' পঠিওৱা (যাৰদ্বাৰা বিদ্যালয়ৰ পৰিৱেশ এটা বজাই ৰখাত সম্ভৱ হৈছে), পাঠ পঢ়াই যোৱাৰ মাজে মাজে প্ৰশ্ন সোধা (যাৰবাবে পাঠ্যপুথিৰ কথাবোৰ সহজে মনত ৰখাত সহায় হৈছে), কিবা নুবুজিলে সুধিবলৈ আছুতীয়া সময় দিয়া (যাৰবাবে মুকলি মনেৰে বিনা সংকোচেৰে ছাত্ৰই শিক্ষকক নুবুজাখিনি সুধিবলৈ সাহস কৰিছে) আদি বহু গুৰুত্বপূৰ্ণ কথাই সন্তানৰ ভৱিষ্যতক লৈ আমাৰ দৃষ্টি আকৰ্ষণ কৰি মনত যথেষ্ট সকাহ দিছে। বিদ্যালয়খনৰ শিক্ষকসকলৰ পাঠদান প্ৰক্ৰিয়াই অনুভৱ কৰোৱায় যে তেওঁলোকে কেৱল যান্ত্ৰিকভাৱে প্ৰশ্নোত্তৰ দিয়াতেই গুৰুত্ব নিদি ছাত্ৰ-ছাত্ৰীয়ে কিমান আয়ত্ত কৰিব পাৰিছে সেই দিশটোত অধিক গুৰুত্ব দি প্ৰতিদিনেই বৰ বেছি পঢ়াৰ বোজা জাপি দিয়া নাই, যাৰবাবে ছাত্ৰই সুস্থিৰে নিয়মীয়াকৈ পঢ়াবোৰ আয়ত্ত কৰাত সহজ হৈছে। শিক্ষকসকলে সময়ে সময়ে অভিভাৱকৰ সৈতে কথা পাতি ছাত্ৰ-ছাত্ৰীৰ পাঠ বুজাত কিবা অসুবিধা হৈছে নেকি আদি বিষয়ক কথা পাতে। বিদ্যালয়খনৰ মুৰব্বী আৰু প্ৰতিষ্ঠাপক শ্ৰদ্ধাৰ ছেহনাজ আহমেদে ভিডিঅ' কনফাৰেন্সিঙত দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ লগত কথা পাতি তেখেতৰ বহুমূলীয়া বক্তব্যৰে ছাত্ৰ-ছাত্ৰীৰ লগতে পিতৃ-মাতৃকো যথেষ্ট সকাহ দিছে। শিক্ষকসকলৰ এনে দায়িত্বশীলতা অতিশয় প্ৰশংসনীয়। এনে পাঠদান ব্যৱস্থাৰে ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব বুলি দৃঢ়বিশ্বাস যদিহে ছাত্ৰই নিয়মীয়াকৈ পঢ়ি যায় একাগ্ৰতাৰে আৰু অভিভাৱকসকলেও শিক্ষকসকলৰ লগত সম্পৰ্ক এজন সহায়কাৰী সংগীৰ দৰে ৰাখি শিক্ষকসকলক আন্তৰিকতাৰে সহযোগ কৰে, যাতে শিক্ষকে ছাত্ৰৰ উন্নতিৰ হকে পৰৱৰ্তী পৰ্যায়ত নতুন পদক্ষেপ গ্ৰহণ কৰিব পাৰিব। অভিভাৱকসকলৰ দায়িত্ব এতিয়া বাঢ়িল। তেওঁলোকে অনলাইন ক্লাছৰ বাবে মোবাইল ফোন সন্তানৰ হাতত দি সন্তানৰ পিনে পিঠি দিলেও কিন্তু সন্তানৰ বাবে আশংকা নোহোৱা নহয়। সিহঁতে পঢ়াত মনোযোগ দিছেনে সেই দিশত নজৰ ৰখাটো বৰ গুৰুত্বপূৰ্ণ কথা। আকৌ এইদৰে স্কুললৈ নগৈ বন্ধু-বান্ধৱীক বহুদিন লগ নোপোৱাৰ বাবে সিহঁতৰ মনৰ সজীৱতা ম্লান পৰাটোও একো অস্বাভাৱিক নহয়। আমি পিতৃ-মাতৃয়েই সমনীয়া হৈ কথাৰ ভাগ-বতৰা কৰি সিহঁতৰ মনবোৰ উৎসাহিত কৰিব পাৰিলে সিহঁতে নিশ্চয় অধ্যয়নতো মনোনিৱেশ কৰাত সহজ হ'ব। বৰ্তমান পৰিস্থিতিত শিক্ষক-ছাত্ৰ-অভিভাৱকৰ চেষ্টাতেই অনলাইন শিক্ষাক মৰ্যাদা প্ৰদান কৰিব পৰা যাব হয়তো। কাৰণ শিক্ষক-অভিভাৱক-ছাত্ৰৰ সম্পৰ্ক সমবাহু ত্ৰিভুজৰ দৰে, ইটো আনটোৰ পৰিপূৰক। এটা বাহুত ঘুণে ধৰিলেই ত্ৰিভুজটোৱে ভাৰসাম্য হেৰুৱাই পেলাব। সন্তোষ লভিছোঁ এই কথাতেই যে বিদ্যালয়খনৰ প্ৰচেষ্টাই শিক্ষক-ছাত্ৰ-অভিভাৱকৰ মাজত আন্তৰিক আৰু মজবুত সম্পৰ্ক বজাই ৰখাটো সম্ভৱ কৰিছে। আমাৰ সন্তানৰ এনে সুবিধাৰ বিপৰীতে অনেক সন্তান আছে যিসকলে বিভিন্ন কাৰণবশতঃ এই সুবিধাৰে শিক্ষা গ্ৰহণ কৰাৰ পৰা বঞ্চিত হৈ আছে। অৱশ্যে ঠায়ে ঠায়ে অনলাইন ব্যৱস্থা সুচল নোহোৱা বহু বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক ঠায়ে ঠায়ে গৈ শিক্ষা দিয়াৰ প্ৰচেষ্টা কৰাৰ বাতৰি পাই ভাল লাগিছে। সকলো ছাত্ৰ-ছাত্ৰীয়েই যেন এই সংকটৰ সময়ত বিচলিত নহৈ অতি সোনকালেই সকলো আগৰ দৰেই স্বাভাৱিক হোৱাৰ আশাৰে সুস্থিৰে অধ্যয়ন কৰি যাব পাৰে তাৰেই আন্তৰিক কামনা কৰিলোঁ। পৰীক্ষাত নম্বৰ পোৱাটোতকৈ জ্ঞান অৰ্জন কৰাটোহে মহান কথা। গতিকে ঘৰত থকা সময়খিনিত প্ৰত্যেক ছাত্ৰই ভৱিষ্যৎ ভাল দিন আহিবই বুলি লৈ দৃঢ়তাৰে অধ্যয়নৰ (সামৰ্থ্য অনুযায়ী) লগতে নিজ নিজ কৰ্ম কৰি বৰ্তমানৰ সময়খিনিক মূল্যৱান কৰি যোৱাটোৱেই শ্ৰেয়।

ঠিকনা ঃ অইল হাউছিং কলনি, যোৰহাট-৭৮৫০১০, ফোন ঃ ৮৪০৩০০৫৪৩২